অধ্যায় ৭ ঃ ভাৰতত ব্যক্তিগত খণ্ডই আগবঢ়োৱা সম্প্ৰচাৰ সেৱা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ ব্যক্তিগত টেলিভিছন সেৱাৰ বিকাশ
৭.৪ চেটেলাইট আৰু কেবল্ টেলিভিছন সেৱাৰ সূত্ৰপাত
৭.৫ শিক্ষা, মনোৰঞ্জন, সংবাদ আৰু ইতিহাসভিত্তিক ছেনেল
৭.৬ প্ৰধান চেটেলাইট টিভি ছেনেলবোৰ- ষ্টাৰ টিভি, জীটিভি, চোনি টিভি, এমটিভি ইণ্ডিয়া, নেশ্যনেল জিঅ'গ্ৰাফিক ছেনেল
৭.৭ কেবল্ টেলিভিছন- ডিজিটেল সমধৰ্মিতাৰ মেৰুদণ্ড
৭.৮ দূৰদৰ্শনৰ সেৱাত ব্যক্তিগত চেটেলাইট ছেনেলে পেলোৱা প্ৰভাৱ
৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.১০ অধিক জানিবলৈ
৭.১১ অগ্ৰগতিৰ খতিয়ান
৭.১২ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতত ব্যক্তিগত খণ্ডৰ চেটেলাইট ছেনেলবোৰৰ বিকাশ প্ৰক্ৰিয়াটো জানিব পাৰিব
- ভাৰতত প্ৰধান চেটেলাইট ছেনেলবোৰে কেনেধৰণে কাৰ্য সম্পাদন কৰে গম পাব
- দূৰদশ্ছনে আগবঢ়াই থকা সেৱাত চেটেলাইট টিভি ছেনেলবোৰে পেলোৱা প্ৰভাৱ সম্পৰ্কে অৱগত হ'ব।

৭.২ পৰিচয়

এই অধ্যায়টিত আমি ভাৰতত ব্যক্তিগত খণ্ডৰ টেলিভিছন ছেনেলবোৰৰ বিকাশ, চেটেলাইট আৰু কেবল্ টেলিভিছন সেৱাৰ সূত্ৰপাত তথা শিক্ষা, মনোৰঞ্জন, সংবাদ আৰু ইতিহাসভিত্তিক বিভিন্ন টিভি ছেনেলৰ বিষয়ে আলোচনা কৰিম। কেবল্ টেলিভিছনৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ সমস্যা, ডিজিটেল সমধৰ্মিতাত এই খণ্ডটোৱে আগবঢ়োৱা অৱদান আৰু দূৰদৰ্শনৰ সেৱাত ব্যক্তিগত খণ্ডৰ ছেনেলবোৰে পেলোৱা প্ৰভাৱ সম্পৰ্কেও অধ্যায়টিত আলোচনা কৰা হ'ব।

৭.৩ ব্যক্তিগত টেলিভিছন সেৱাৰ বিকাশ

১৯৯১ চনত ভাৰতে নতুন অর্থনৈতিক নীতি গ্রহণ কৰাৰ পাছত দেশৰ অর্থনীতি অভূতপূর্বভাৱে সলনি হৈছিল. নতুন নীতিৰ বাবে আন্তঃৰাষ্ট্রীয় বিনিয়োগকাৰীসকলে ভাৰতৰ বিভিন্ন খণ্ডত মূলধন বিনিয়োগ কৰাৰ আগ্রহ দেখুৱাইছিল। এই সময়ছোৱাতে ভাৰতৰ ব্যক্তিগত টেলিভিছন সেৱাতো অভূতপূর্ব পৰিৱর্তন দৃষ্টিগোচৰ হৈছিল। মনোৰঞ্জনমূলক অনুষ্ঠানৰ আকর্ষণীয় পেকে'জ আগবঢ়াই ব্যক্তিগত টেলিভিছন সেৱাবোৰে দর্শকৰ মাজত বিপুল জনপ্রিয়তা অর্জন কৰিছিল। দেশত সত্তৰৰ দশকৰ শেষৰফালে ব্যক্তিগত টেলিভিছন সেৱাৰ সম্প্রচাৰ আৰম্ভ হৈছিল। কিন্তু কেবল টেলিভিছন আৰু ব্যক্তিগত টেলিভিছন সেৱাৰ নেটৱর্'কৰ বিকাশ নঘটালৈকে ভাৰতীয় টেলিভিছন দর্শকৰ হাতত বহু বেছি বিকল্প নাছিল। দর্শকে কেৱল দূৰদর্শনৰ দ্বাৰা সম্প্রচাৰিত অনুষ্ঠানবোৰহে চোৱাৰ সুযোগ পাইছিল। এই সময়ছোৱাত ভিডিঅ' কেছেট ৰেক'ডাৰ আৰু প্লেয়াৰ যন্ত্রবোৰৰ চাহিদা আছিল সর্বাধিক। ১৯৯০ চনত উপসাগৰীয় যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে ভাৰতত ব্যক্তিগত টেলিভিছন সেৱাৰ বিকাশৰ যুগ আৰম্ভ হৈছিল। অৱশ্যে, প্রথম অৱস্থাত দেশৰ মহানগৰ চা�ৰিখন আৰু বছা বছা চহৰ অঞ্চলত ব্যক্তিগত টেলিভিছন সেৱাৰ সম্প্রচাৰ সীমাৱদ্ধ আছিল।

প্রথম অৱস্থাত কিছুমান কেবল অপাৰেটৰে নিজাকৈ হিন্দী আৰু ইংৰাজী চিনেমাৰ ছেনেল পৰিচালনা কৰিছিল। পাছথ তেওঁলোকে সংকেত গ্রহণ কাৰী ডিছ স্থাপন কৰি CNN-ৰ দৰে ছেনেলৰ সেৱা গ্রাহকক যোগান ধৰিবলৈ লৈছিল। ইয়াৰ ফলত কেবল টিভিৰ চাহিদা বাঢ়িছিল আৰু ই এটা অতি লাজজনক ব্যৱসায়ৰ ৰূপ লৈছিল। কথাটোৱে এই নতুন উদ্যোগটোৰ প্রতি বহুতো লোকক আগ্রহী কৰি তুলিছিল। ষ্টাৰ টিভি (Satellite Television of Asia Region) আৰু জীটিভি (Zee TV) ৰ সম্প্রচাৰ আৰম্ভ কৰি কেবল টেলিভিছন নেটৱর্'কে ভাৰতৰ অধিকাংশ গ্রাহকক নিজৰ ফলীয়া কৰি ল'বলৈ সক্ষম হৈছিল। ১৯৯৫ চনত জী আৰু ষ্টাৰ টিভিয়ে এখন চুক্তি সম্পাদিত কৰিছিল আৰু নিজ নিজ নেটৱর্'কতআনটো নেটৱর্'কৰ পৃষ্টপোষকতা আৰম্ভ কৰিছিল। জী টি ভিনেট'ৱর্'কত ষ্টাৰ টিভিৰ অনুষ্ঠানবোৰৰ বিজ্ঞাপন সম্প্রচাৰিত হ'বলৈ ধৰিছিল। চুক্তিৰ চর্ত অনুসৰি ষ্টাৰ টিভি নেটৱর্'কে হিন্দী ভাষাৰ অনুষ্ঠান সম্প্রচাৰ কৰিব নোৱাৰিছিল। ষ্টাৰ টিভিয়ে কেৱল বাহিৰৰ পৰা স্বত্ব ক্রয় কৰা ইংৰাজী ভাষাৰ অনুষ্ঠানহে সম্প্রচাৰ কৰিছিল।

১৯৯২ চনৰ প্রথমার্দ্ধত ভাৰতৰ প্রায় ৪,৫০০ টা পৰিয়ালে কেবল নেটৱর্'কৰ সেৱা উপভোগ কৰিছিল। কিন্তু একেটা বছৰৰে শেষার্দ্ধত এই সংখ্যা অভূতপূর্বভাৱে বাঢ়িছিল। সেই সময়ছোৱাত দৈনিক প্রায় ৯,৪৫০ টা পৰিয়ালে কেবল টিভিৰ সেৱা গ্রহণ কৰিবলৈ লৈছিল। বজাৰ গৱেষণা সংস্থাবোৰে চলোৱা সমীক্ষাত এই তথ্য পোহৰলৈ আহিছিল। ১৯৯২ চনৰ জানুৱাৰীত ৪১২,০০০ টা চহৰাঞ্চলৰ পৰিয়ালত ব্যক্তিগত টেলিভিছন সেৱা সংলগ্ন কৰা হৈছিল. কিন্তু একেটা বছৰৰে নৱেম্বৰ মাহত এই সংখ্যা বাঢ়ি প্রায় ১.২ মিলিয়ন হৈছিলগৈ। এক সমীক্ষা মতে ১৯৯৩ চনতএই সংখ্যা বাঢ়ি ৩.৩ মিলিয়ন হ'ব বুলি পূর্বানুমান কৰা হৈছিল। আন এক পূর্বনুমান অনুসৰি ১৯৯৪ চনত জানুৱাৰী মাহলৈকে দেশৰ ৭.৩ মিলিয়ন পৰিয়ালে ব্যক্তিগত টেলিভিছন সেৱা উপভোগ

কৰিব বুলি ধৰি লোৱা হৈছিল। কিন্তু১৯৯৪ চনৰ শেষত ভাৰতৰ সৰ্বমুঠ ৩২.৪ মিলিয়ন টিভি থকা পৰিয়ালৰ ১১.৮ মিলিয়নে কেবল টেলিভিছন সেৱা বাছনি কৰিছিল। প্ৰাৰম্ভিক পৰ্যায়ত মাত্ৰ কেইগৰাকীমান উদ্যমীয়ে কেবল টিভি নেটৱৰ্কটো পৰিচালনা কৰিছিল। প্ৰযুক্তিৰ অগ্ৰগতি আৰু ব্যক্তিগত সম্প্ৰচাৰকৰ চাহিদা বৃদ্ধি পোৱাৰ লগে লগে বিভিন্ন উদ্যমী এই ব্যৱসায়টোৰ সৈতে জড়িত হ'ল। প্ৰথম অৱস্থাৰ দুটামান প্ৰধান ব্যক্তিগত টেলিভিছন সেৱা আগবঢ়োৱা ব্যৱসায় গোষ্ঠী হ'ল হিন্দুজা গ্ৰুপৰ ইনকেবলনেট, জীটিভিৰ স্বত্বাধিকাৰী সুভাষ চন্দ্ৰা আৰু ৰুপার্ট মাৰড'কৰ নিউজ টেলিভিছনৰ যুটীয়া উদ্যোগত গঢ় লোৱা চিটি কেবল, এচিয়ানেট, হাথ্ৱে ' কেবল এণ্ড ডেটক'ম অ'ৰ্টেল কমিউনিকেশ্যনচ্ আৰু আৰপিজি গ্ৰুপৰ আৰপিজি নেটক'ম। হিন্দুজা গ্ৰুপে নেটৱৰ্ক গঢ়াৰ নামত সেই সময়তে প্ৰায় ২০০০ মিলিয়ন টকা বিনিয়োগ কৰিছিল। তাৰ পৰৱৰ্তী পৰ্যায়ত চিটিকেবল-এ প্ৰায় ২৫০০ মিলিয়ন টকা বিনিয়োগৰ পৰিকল্পনা কৰিছিল। ভাৰতৰ ব্যক্তিগত সম্প্ৰচাৰকৰ বজাৰখনত আত্মপ্ৰকাশ কৰা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন কেবল নেটৱৰ্ক কোম্পানীকেইটা হ'ল- য়ুনাইটেড ইণ্টাৰনেশ্যনেল হোল্ডিংচ্ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ টি চি আই এণ্ড ফেলক'ন কেবল্। ফেলক'ন কেবলে নতুন দিল্লীস্থ হিন্দুস্তান টাইমচ্ প্ৰকাশন গোষ্ঠীৰ সৈতে যুটীয়াভাৱে ইণ্ডিয়া ইনফৰমেশ্যন টেক্ন'লজীছ লিমিটেড নামৰ কোম্পানীটো গঠন কৰিছিল। এই ব্যক্তিগত টেলিভিছন নেটৱৰ্কবোৰে চিনেমা, চচ্প অপেৰা (ধাৰাবাহিক), টক শ্বো আদিৰ দৰে অনুষ্ঠান সম্প্ৰচাৰ কৰিছিল। জনপ্ৰিয় অনুষ্ঠান প্ৰযোজনাৰ আৰ্হি অনুসৰণ কৰা ব্যক্তিগত টেলিভিছন নেটৱৰ্কবোৰে দূৰদৰ্শনৰ তুলনাত যথেষ্ট অধিক দৰ্শকক আকৰ্ষণ- কৰিবলৈ সক্ষম হৈছিল। ১৯৯২ চনত দক্ষিণ ভাৰতৰ প্ৰথমটো ব্যক্তিগত টেলিভিছন ছেনেল 'চান টিভি'-য়ে আত্মপ্ৰকাশ কৰে। পৰ্যায়ক্ৰমে ই দক্ষিণ ভাৰতীয় প্ৰধান ভাষা মালায়ালম, কন্নড়, তামিল আৰু তেলুগুত অনুষ্ঠান সম্প্ৰচাৰ কৰিবলৈ লয়। ১৯৯৪ চনত আত্মপ্ৰকাশ কৰা আনটো দক্ষিণ ভাৰতীয় টেলিভিছন নেটৱৰ্ক হ'ল 'ৰাজ টিভি'। বৰ্তমানেও দক্ষিণ ভাৰতীয় কেবল টিভি নেটৱৰ্কত ৰাজ টেলিভিছন নেটৱৰ্কে এটা গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে. মূলতঃ তামিল অনুষ্ঠান সম্প্ৰচাৰ কৰা নেটৱৰ্কটোৰ প্ৰধানে ছেনেল দুটা হ'ল- 'ৰাজ টিভি' আৰু 'ৰাজ ডিজিটেল প্লাছ' । দুয়োটা ছেনেলে পৰিয়ালৰ সকলো সদস্যই উপভোগ কৰিব পৰা সংগীত ভিডিঅ', কথাছবি আৰু অন্য মনোৰঞ্জনমূলক অনুষ্ঠান সম্প্ৰচাৰ কৰে। হায়দৰাবাদৰ পৰা প্ৰকাশিত দৈনিক বাৰ্তৰি কাকত 'ঈনাডু'ৰ প্ৰকাশক গোষ্ঠীটোৱে ১৯৯৫ চনঞ্জ ২৭ আগষ্টৰ পৰা 'ঈনাডু' টিভি' নামৰ নিজস্ব ছেনেলটোৰ সেৱা আৰম্ভ কৰে। নেটৱৰ্কটোৱে পাছত অন্য ভাৰতীয় ভাষাৰ আঞ্চলিক ছেনেলবোৰক নিজৰ সৈতে অন্তৰ্ভুক্ত কৰি এটা বৃহৎ স্থানীয় সংবাদ নেটৱৰ্ক গঢ়ি তোলে।

৭.৪ চেটেলাইট আৰু কেবল্ টেলিভিছন সেৱাৰ সূত্ৰপাত

নতুন অৰ্থনৈতিক নীতিৰ অধীনত ভাৰত চৰকাৰে দেশত ব্যক্তিগত খণ্ডৰ আৰু বিদেশী সম্প্ৰচাৰকক সম্প্ৰচাৰ ব্যৱসায়ত জড়িত হোৱাৰ অনুমতি দিছিল। ইয়াৰ লগে লগে ভাৰতত

চেটেলাইট কেৱল টেলিভিছনৰ বিকাশ আৰম্ভ হ'ল। ১৯৯১ চনৰ অৰ্থনৈতিক সংস্কাৰে সংযোগ প্ৰযুক্তিৰ উদাৰীকৃত সুচলতা সম্ভৱপৰ কৰি তুলিছিল। এই কথাটোৱে বিদেশী আৰু ভাৰতীয় প্ৰচাৰ মাধ্যম কোম্পানাবোৰক কেবল্ টেলিভিছন ব্যৱসায়ত জড়িত হোৱাৰ পথ মুকলি কৰি দিছিল।

চেটেলাইট কেবল্ টেলিভিছন সেৱাৰ জৰিয়তে এডাল স্থিৰ উমৈহতীয়া এণ্টেনাৰন পৰা দৰ্শকৰ ঘৰৰ গ্ৰাহক যন্ত্ৰবোৰলৈ অনুষ্ঠানবোৰ 'পাইপড্' কৰা হৈছিল। ভাৰতত হোটেল উদ্যোগ, ৰাজহুৱা খণ্ডৰ কোম্পানী আৰু ব্যক্তিগত খণ্ডৰ কোম্পানীবোৰে সুউচ্চ ভৱনৰ গৰাকী হোৱাৰ সুবিধা গ্ৰহণ কৰি কেবল টেলিভিছন সংকেত বিতৰণত আগভাগ লৈছিল। সমগ্ৰ দেশৰে কেবল্ নেটৱৰ্ক যোগানকাৰীসকলে চেটেলাইট ডিছ বহুৱাই ষ্টাৰ টিভি আৰু দূৰদৰ্শনৰ অনুষ্ঠান বোৰৰ সংকেত গ্ৰহণ কৰি প্ৰায় ২০ মিলিয়ন ঘৰলৈ সেই অনুষ্ঠানবোৰৰ সংকেত পুনঃপ্ৰেৰণ কৰিছিল। ১৯৯০ ৰ দশকত ভাৰতত ২০০,০০০ তকৈও অধিক কেবল্ নেটৱৰ্ক যোগনিয়াৰ আছিল। কেবল্ উদ্যোগৰ সৈতে জড়িত দুটা গুৰুত্বপূৰ্ণ নাম হ'ল চিটিকেবল্ (জীটিভি নেটৱৰ্ক) আৰু ইনকেবল্নেট (হিন্দুজা গ্ৰুফ)। কেৱল বোম্বে মহানগৰীতে ইনকেবল্নেট (হিন্দুজা গ্ৰুফ)। কেৱল বোম্বে মহানগৰীতে ইনকেবল্নেটৰ ৬ লাখ আৰু চিটিকেবল্ৰ ৪ লাখ গ্ৰাহক আছিল। ক্ষুদ্ৰ কেবল্ অপাৰেটৰ সকলে প্ৰায় ২ লাখ সংযোগ নিয়ন্ত্ৰণ কৰিছিল।

জী টিভি হ'ল ভাৰতৰ প্ৰথমটো ব্যক্তিগত মালিকানাধীন টেলিভিছন সেৱা সম্প্ৰচাৰকাৰী নেটৱৰ্ক। কেইবছৰমানৰ ভিতৰতে চি এন এন, ডিস্ক'ভাৰী ছেনেল আৰু নেশ্যনেল জিঅ' গ্ৰাফিক ছেনেলৰ দৰে আন্তঃৰাষ্ট্ৰীয় ছেনেলবোৰে ভাৰতত অনুষ্ঠান সম্প্ৰচাৰ আৰম্ভ কৰিছিল। ষ্টাৰ টিভি নেটৱৰ্কে পৰ্যায়ক্ৰমে ষ্টাৰ ৱৰ্ল্ড, ষ্টাৰ স্পোৰ্টচ, ইএছ পি এন আৰু ষ্টাৰ গোল্ড ছেনেলৰ জৰিয়তে অনুষ্ঠান সম্প্ৰচাৰ কৰিবলৈ লৈছিল। যথেষ্ট সংখ্যক হিন্দী আৰু কেইটামান ইংৰাজী ভাষাৰ ছেনেলৰ সৈতে আঞ্চলিক ভাষাৰ ছেনেলৰ সংখ্যাও বাঢ়িবলৈ ধৰিছিল। ২০০১ চনত ভাৰতত আত্মপ্ৰকাশ কৰা আন দুটা আন্তঃৰাষ্ট্ৰীয় ছেনেল হ'ল এইছবিঅ' আৰু হিষ্ট্ৰী ছেনেল। ২০০১-২০০৩ চনৰ ভিতৰত নিকেল'ডিয়ন, কাৰ্টুন নেটৱৰ্ক, ভি এইছৱান, ডিজনী আৰু তুন ডিজনী নামৰ আন্তঃৰাষ্ট্ৰীয় ব্যক্তিগত ছেনেলকেইটাই ভাৰতত নিজ নিজ সম্প্ৰচাৰ সেৱা আৰম্ভ কৰিছিল। ২০০৩ চনৰ পৰা নতুন ছেনেলৰ আত্মপ্ৰকাশৰ জোৱাৰ উঠিছিল। সংগীতৰ ছেনেলবোৰে ভাৰতত প্ৰথমৰে পৰা যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিছিল। লাহে লাহে কথাছবি ভিত্তিক আৰু চ'প অপেৰা ভিত্তিক ছেনেলবোৰে ভাৰতীয় ব্যক্তিগত ছেনেলবোৰৰ মাজত আধিপত্য বিস্তাৰ কৰিছিল। ষ্টাৰ টিভিৰ সমগ্ৰ বিশ্বৰে ৫৪ খন দেশত ৩০০ মিলিয়নতকৈও অধিক দৰ্শক আছিল। সমগ্ৰ বিশ্বৰে প্ৰায় ১০০ মিলিয়ন দৰ্শকে প্ৰতিদিনে ষ্টাৰ টিভিৰ অনুষ্ঠান উপভোগ কৰিছিল। ২০০৩ চনত ষ্টাৰ টিভিয়ে ২২০ মিলিয়ন আমেৰিকান ডলাৰ আৰু ২০০৪ চনত ২৪৫ মিলিয়ন আমেৰিকান ডলাৰৰ ৰাজহ সংগ্ৰহ কৰিছিল। এই সময়ছোৱাত টাইমচ্ অৱ ইণ্ডিয়াৰ প্ৰকাশক বেনেট, ক'লমেন এণ্ড কোম্পানী লিমিটেডৰ পাছত ষ্টাৰ টিভিয়েই আছিল ভাৰতৰ দ্বিতীয়টো সৰ্ববৃহৎ ৰাজহ সংগ্ৰহকাৰী প্ৰচাৰ মাধ্যম কোম্পানী। সুভাষ চন্দ্ৰাৰ মালিকানাধীন জী-টিভি হ'ল ভাৰতৰ প্ৰথমটো হিন্দীভাষাৰ

ব্যক্তিগত ছেনেল। বর্তমান নেটৱর্কটোৱে হিন্দীৰ উপৰি অন্য আঞ্চলিক ভাৰতীয় ভাষাৰ ছেনেল পৰিচালনা কৰি আছে আৰু 'ইচেল গ্রুপ'ৰ এটা অংশ হৈ পৰিছে। ২০০৮ চনৰ ২১ জুলাইত আন এটা ভাৰতীয় মনোৰঞ্জনমূলক নেটৱর্ক 'কালার্চ'ৰ আত্মপ্রকাশ ঘটে। নেটৱর্কটোৱে কথাছবি, চ'প অপেৰা, ৰিয়েলিটি শ্বো আদিৰ অনুষ্ঠান সম্প্রচাৰ কৰে। চেটেলাইট কেবল্ টেলিভিছনৰ বিকাশৰ লগে লগে বোম্বেত বিভিন্ন প্রযোজনা গোষ্ঠীয়েও আত্মপ্রকাশ কৰিলে। বর্তমান ভাৰতৰ কেইটামান আগশাৰীৰ অনুষ্ঠান প্রযোজনাকাৰী ব্যৱসায় গোষ্ঠী হ'ল বালাজী টেলিফিল্মচ্, এণ্ডেম'ল ইণ্ডিয়া, বিঝক্রাফ্ট টেলিভিছন, দীপ্তি ভাইনাগৰ প্র'ডাকশ্যনচ্, প্লে'টাইম ক্রিয়েশ্যনচ্, স্ফিয়াৰ অৰিজিন্চ ইত্যাদি।

ভাৰতত কেবল্ টেলিভিছন সেৱাৰ সূত্রপাত ঘটাৰ লগে লগে ভাৰতীয় দর্শকে একাধিক পছন্দৰ একাধিক ছেনেল বাছি লোৱাৰ সুযোগ পালে। ই দেশৰ সম্প্রচাৰ পৰিস্থিতিৰ ৰেহ-ৰূপ সম্পূর্ণ সলনি কৰিলে। অনুষ্ঠান প্রযোজনা, বিজ্ঞাপন আৰু সম্প্রচাৰ শৈলীকে আদি কৰি সকলো দিশতে দ্রুত পৰিৱর্তন ঘটিল।

৭.৫শিক্ষা, মনোৰঞ্জন, সংবাদ আৰু ইতিহাসভিত্তিক ছেনেল

চেটেলাইট কেবল্ টেলিভিছনে ভাৰতত সম্প্রচাৰ সেৱা আৰম্ভ কৰাৰ লগে লগে দর্শকে বিভিন্ন ধৰণৰ অনুষ্ঠান চোৱাৰ সুযোগ পালে। একাধিক ছেনেলে একাধিক পছন্দৰ অনুষ্ঠান সম্প্রচাৰ কৰিবলৈ ল'লে। শৈক্ষিক অনুষ্ঠান সম্প্রচাৰৰ বাবে উৎসর্গিত ছেনেলবোৰে সামাজিক অৱস্থাৰ ৰূপান্তৰত এক তাৎপর্যপূর্ণ ভূমিকা ল'লে। এই ছেনেলবোৰে নগৰ-চহৰৰ পৰা গ্রামাঞ্চললৈকে যথেষ্ট সংখ্যক দর্শকলৈ সেৱা আগবঢ়াই আহিছে। ভাৰতত টেলিভিছনৰ ধাৰণাটোৱে মূর্ত ৰূপ লোৱাৰ সময়ৰে পৰা মাধ্যমটোক অর্পন কৰা এটা গুৰুদায়িত্ব হ'ল দেশৰ শিক্ষা ব্যৱস্থাটোৰ প্রতি প্রয়োজনীয় সমর্থন আগবঢ়োৱা। বিদ্যালয় পর্যায়ৰ আনুষ্ঠানিক শিক্ষাক সহায় কৰিবলৈ ১৯৬১ চনৰ অক্টোবৰ মাহৰ পৰা 'এচ টিভি' (School Television) ৰ সম্প্রচাৰ আৰম্ভ কৰা হৈছিল। ১৯৭৫ চনৰ পৰা প্রাথমিক বিদ্যালয়ৰ উপযোগী অনুষ্ঠানৰ সম্প্রচাৰ আৰম্ভ হৈছিল। ইয়াৰ পাছত প্রাথমিক শিক্ষাত সহায়ক হোৱাকৈ বিভিন্ন শৈক্ষিক প্রকল্পৰ পাতনি মেলা হৈছিল। ১৯৮৪ চনৰ ১৫ আগষ্টৰ পৰা বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC) এ ভাৰতৰ ৬ খন বিশ্ববিদ্যালয়ত চি ডব্লিউ চি আৰ (Country Wide Classroom Project) ৰ সম্প্রচাৰ আৰম্ভ আৰু অনুষ্ঠান প্রযোজনাৰ সা-সুবিধা গঢ়ি তোলা হৈছিল। CWCR অনুষ্ঠানবোৰ 'ব্যাস' নামৰ ২৪ ঘণ্টীয়া উচ্চ শিক্ষামূলক অনুষ্ঠান সম্প্রচাৰ কৰা ছেনেলৰ জৰিয়তে পৰিৱেশন কৰা হৈছিল। DD 1- এ এনে অনুষ্ঠান সম্প্রচাৰৰ বাবে ডেঢ় ঘণ্টা আৰু 'জ্ঞানদর্শন' ছেনেলে ৪ ঘণ্টা সময় দিছিল। DD Bharati ছেনেলটোৰ যোগেদি স্বাস্থ্য আৰু সংস্কৃতি বিষয়ক অনুষ্ঠান সম্প্রচাৰ কৰা হৈছিল। এই অনুষ্ঠানবোৰে দেশৰ বিভিন্ন অংশত উচ্চ শিক্ষাৰ বিভিন্ন পর্যায়ৰ ভিন ভিন দর্শক গোট সৃষ্টি কৰিছিল। ২০০০ চনৰ পৰা শিক্ষামূলক 'জ্ঞানদর্শন' ছেনেলৰ কামকাজ আৰম্ভ হৈছিল। CWCR-এ অনুষ্ঠান সম্প্রচাৰৰ

সময় IGNOU আৰু NCERT ৰ সৈতে ভগাই লৈছিল। ২০০৪ চনৰ ২৬ জানুৱাৰীৰ পৰা উচ্চ শিক্ষামূলক অনুষ্ঠান সম্প্রচাৰ কৰা 'ব্যাস' (GD4)ৰ ২৪ ঘণ্টীয়া সেৱা আৰম্ভ হৈছিল।

জি ই চি (General Entertainment Channel) শিতানত হিন্দী আৰু অন্য আঞ্চলিক ভাষাত বহুতো ছেনেল সক্রিয় হৈ আছে। এই শিতানৰ দুটামান গুৰুত্বপূর্ণ সম্প্রচাৰ নেটৱর্ক হ'ল ষ্টাৰ, জী, ভায়াক'ম ১৮, চোনি, ৰাজটিভি, চান টিভি আদি। এই মনোৰঞ্জনমূলক ছেনেলবোৰে বিভিন্ন ধৰণৰঅনুষ্ঠান নির্মাণত পদ্ধতি একেলগ কৰে। এনে অনুষ্ঠানবোৰ চ'প অপেৰা, টকশ্বো আৰু সাক্ষাৎকাৰ, ৰিয়েলিটী শ্বো, হাস্যৰসপূর্ণ অনুষ্ঠান, অপৰাধ অনুসন্ধানমূলক অনুষ্ঠান, হিন্দী আৰু আঞ্চলিক ভাষাৰ কথাছবি আদি হ'ব পাৰে।টেলিভিছনৰ প্রসাৰ ঘটাৰ লগে লগে সম্প্রচাৰকসকলে বৃহত্তৰ বজাৰ আৰু দর্শকৰ সুবিধা গ্রহণ কৰিব পাৰিছে। প্রযুক্তিবোৰে ডিজিটেল ৰূপ ধাৰণ কৰাৰ বাবেও সম্প্রচাৰক সকলৰ সুবিধা আগতকৈ বহুখিনি বাঢ়িছে। বর্তমান সম্প্রচাৰকসকলৰ প্রত্যেকৰে যথেষ্ট সংখ্যক দর্শক ভাণ্ডাৰ আছে। এই দর্শকখিনিয়ে অধিক উন্নততৰ মঞ্চত নতুন বিষয়বস্তুৰ অনুষ্ঠান উপভোগ কৰিবলৈ প্রস্তুত। অসমতো একাধিক মনোৰঞ্জনমূলক ছেনেল আছে। এই ছেনেলবোৰৰ বাবে আঞ্চলিক ভাষাত দর্শকে আজিকালি বিভিন্ন বিষয়বস্তুৰ অনুষ্ঠান উপভোগ কৰাৰ সুযোগ পাইছে। এই কথাই স্থানীয় আগ্রহী লোকৰ বাবে বৃহত্তৰ বজাৰ সুবিধাৰ সৃষ্টি কৰিছে। অধিকাংশ বিজ্ঞাপনদাতাই অধিক দর্শকৰওচৰ চাপিবলৈ সাধাৰণ মনোৰঞ্জনমূলক অনুষ্ঠান প্রচাৰ কৰা ছেনেলবোৰৰ জৰিয়তে বিজ্ঞাপন প্রচাৰত মনোনিৱেশ কৰে। ভাৰতত এসময়ত টেলিভিছন অনুষ্ঠান প্রযোজনাৰ দিশত কথাছবি উদ্যোগে আধিপত্য বিস্তাৰ কৰিছিল। ৰাষ্ট্রীয় ছেনেলবোৰৰ অধিকাংশই দর্শকক আকর্ষণ কৰিবলৈ কথাছবি সম্প্রচাৰ নির্ভৰশীল আছিল। ১৯৯০ ৰ দশকৰ প্রথমাৰ্দ্ধত দূৰদর্শনে মনোৰঞ্জনমূলক অনুষ্ঠান সম্প্রচাৰ ক্ষেত্রখনত এক তাৎপর্যপূর্ণ ভূমিকা লৈছিল। হমলোগ (১৯৮৪), ৰামায়ণ (১৯৮৭-৮৮) আৰু মহাভাৰত (১৯৮৮-৮৯) ৰ দৰে ধাৰাবাহিক সম্প্রচাৰ কৰি দূৰদর্শনে নগৰ-চহৰাঞ্চল আৰু গ্রামাঞ্চল উভয়তে বিপুল জনপ্রিয়তা অর্জন কৰিছিল। ষ্টাৰ টিভি নেটৱর্কৰ 'ষ্টাৰ প্লাছ' নামৰ ছেনেলটোৱে বহলভিত্তিত ইংৰাজী ভাষাৰ মনোৰঞ্জনমূলক অনুষ্ঠান সম্প্রচাৰ কৰিছিল। ভাৰতীয় টেলিভিছনত সম্প্রচাৰৰ বাবে প্রস্তুত কৰা অনুষ্ঠানবোৰৰ এটা উল্লেখনীয় বৈশিষ্ট্য হ'ল 'হিংগ্লিচ ভাষাৰ বহুল ব্যৱহাৰ। একেটা ছেনেলেই ইংৰাজী আৰু হিন্দী দুয়োটা ভাষাতে প্রস্তুত কৰা অনুষ্ঠান সম্প্রচাৰ কৰিছিল। ই মূলতঃ ভাৰতৰ সর্ববৃহৎ মধ্যবিত্ত শ্রেণীটোক লক্ষ্য দর্শক ৰূপে বাচি লৈছিল. কাৰণ এই শ্রেণীটোৰ হিন্দী আৰু ইংৰাজী দুয়োটা ভাষাৰে জ্ঞান আছে।

২০০০ চনৰ পৰা টেলিভিছন উদ্যোগে ২৪ ঘণ্টীয়া সংবাদ ছেনেলবোৰৰ সেৱা আৰম্ভ কৰিছিল। দেশৰ প্রথমটো ২৪ ঘণ্টীয়া সংবাদছেনেল আছিল ইণ্ডিয়া টুডে' ব্যৱসায়গোটৰ মালিকাধীন 'আজতক'। ২০০২ চনলৈ এনে ছেনেলৰ সংখ্যা ৩৬ টা হৈছিলগৈ। পাৰ হৈ যোৱা দশকটোত বিশেষভাৱে সংবাদ ছেনেলৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। অপৰাধ অনুসন্ধানমূলক,হিন্দী কথাছবি আৰু নৈশ জীৱন বিষয়ক অনুষ্ঠানবোৰে সংবাদ ছেনেলৰ দর্শকৰ সংখ্যা বৃদ্ধি কৰিছিল। ভাৰতত সংবাদ ছেনেলৰ সংখ্যা বেছি হোৱাৰ আন এটা কাৰণ হ'ল দেশৰ গণতান্ত্রিক ৰাজনৈতিক সংৰচনাটো।

প্রযুক্তিৰ অগ্রগতি আৰু মানৱ শক্তিৰ সহজলভ্যতাৰ বাবে ২৪ ঘণ্টীয়া সংবাদ ছেনেল এটা আৰম্ভ কৰোঁতে হোৱা ব্যয় বহুখিনি কমি গৈছিল। ১৯৯৮ চনত এনে একোটা ছেনেল খোলাৰ কামত প্রায় ২১৫ কোটি টকা খৰছ কৰিবলগীয়া হৈছিল। কিন্তু ২০০৩ চনলৈ এই ব্যয়ৰ পৰিমাণ কমি ১৫০ কোটি টকা হৈছিল। এনে এটা ছেনেলখোলাৰ সাম্প্রতিক ব্যয় হ'ল আনুমানিক ৫০-৬০ কোটি টকা। গড় হিচাবত একোটা ছেনেলে সুপ্রতিষ্ঠিত পৰিচয় লাভ কৰিবলৈ তিনিৰ পৰা চাৰি বছৰ সময় লয়। প্রযুক্তি ব্যয় নিম্নগামী হোৱাৰ লগে লগে সংবাদ ছেনেলবোৰৰ ৰাজহ সংগ্রহৰ মাত্রা বৃদ্ধি পাইছে. প্রযুক্তিয়ে ব্যয় আৰু সময় দুয়োটা ৰাহি কৰাত সহায় কৰিছে। অ-ৰৈখিক (non linear) সম্পাদনা, গ্রাফিক্স সংযোজন আৰু সূচী প্রস্তুতকৰণৰ বাবে বিভিন্ন ধৰণৰ হার্ডৱেৰ আৰু চফ্টৱেৰ প্রযুক্তি সহজলভ্য হৈছে। এই প্রযুক্তিবোৰে অনুষ্ঠান প্রস্তুত কৰাৰ প্রক্রিয়াটো আগতকৈ চমু আৰু অধিক নমনীয় কৰি তুলিছে। সংবাদ ছেনেল বোৰৰ বিজ্ঞাপন ৰাজহ প্রতি বছৰে প্রায় ১২-১৪ % বাঢ়ে বুলি অনুমান কৰি লোৱা হয়। বর্তমান দেশত ইংৰাজী, হিন্দী আৰু অন্য আঞ্চলিক ভাষাৰ বহুতো সংবাদ ছেনেল সক্রিয় হৈ আছে। ইয়াৰে কেইটামান প্রধান ইংৰাজী সংবাদ ছেনেল হ'ল এনজিটিভি (24x7), চি এন এন নিউজ 18, নিউজ এক্স, টাইমচ্ নাও, আৰু হেডলাইনচ্ টুডে'। হিন্দী সংবাদৰ ক্ষেত্রত সর্বাধিক জনপ্রিয় ছেনেলকেইটা হ'ল- আজতক, এনাজিটিভি ইণ্ডিয়া, ইণ্ডিয়া টিভি আৰু এবিপি নিউজ। অসমতো আঞ্চলিক ভাষাৰ সংবাদ ছেনেলৰ সংখ্যা যথেষ্ট বাঢ়িছে। বর্তমান সক্রিয় হৈ থকা দুটামান অসমীয়া ভাষাৰ সংবাদ ছেনেল হ'ল নিউজলাইভ, ডিওৰাই 365,নিউজ 18 আচাম, প্রাগ নিউজ আৰু প্রতিদিন টাইম। বিজ্ঞাপন ৰাজহ আৰু দর্শকভুক্তিৰ মাচুল হ'ল এই ছেনেলবোৰৰ আয় আহৰণৰ পৰম্পৰাগত উৎস। আয় আহৰণৰ বাবে ছেনেলবোৰে গ্রহণ কৰিবলৈ লোৱা নতুন পন্থাবোৰ হ'ল পুনঃ সম্প্রচাৰৰ স্বত্ব কিনা-বেচা, অনুষ্ঠান বিক্রী, ক্ষেত্রভিত্তিক অনুষ্ঠানৰ সম্প্রচাৰ স্বত্ব ক্রয় বিক্রয়, বিভিন্ন ব্যৱসায়িক সা-সামগ্রী বজাৰত মুকলি কৰি দি ব্রেণ্ড সম্প্রসাৰণ কৰা আৰু মাল্টি-মিডিয়া চুক্তি সম্পাদন আদি। বিশ্বায়নৰ লগে লগে বহুতো সংবাদ সম্প্রচাৰক কোম্পানীয়ে নিজৰ অনুষ্ঠানবোৰ বিভিন্ন অঞ্চলৰ স্থানীয় বজাৰ দর্শকৰ ৰুচি অনুযায়ী প্রস্তুত কৰাৰ চেষ্টা চলাই আছে। এনে আন্তঃৰাষ্ট্রীয় কোম্পানীবোৰে লক্ষ্য আঞ্চলিক বজাৰ দখল কৰিবলৈ নানা ধৰণৰ আঞ্চলিক অনুষ্ঠান সম্প্রচাৰৰ বাবে আগবাঢ়ি আহিছে। অর্থনৈতিক উন্নয়ন, বজাৰ কাৰক আৰু সাংস্কৃতিক দিশেও একোটা স্বীকৃত মান অনুসৰি প্রস্তুত কৰা বিশ্বজনীন সামগ্রীৰ সফলতা নির্ণয় কৰে। আন্তঃৰাষ্ট্রীয় সম্প্রচাৰ সংস্থাবোৰে, যেনে- বিবিচি, আঞ্চলিক দর্শকৰ বাবে 'গ্লোবেল ইণ্ডিয়া'ৰ দৰে অনুষ্ঠানবোৰ সম্প্রচাৰ কৰিবলৈ 'ইটিভি নিউজ'ৰ দৰে ছেনেলবোৰক মঞ্চ হিচাপে ব্যৱহাৰ কৰি আহিছে।

ইতিহাসভিত্তিক ছেনেলৰ শাখাত 'হিষ্ট্রী টিভি 18' ছেনেলটোৰ নাম ল'ব পাৰি। এই সর্ব-ভাৰতীয় টেলিভিছন ছেনেলটোৱে ঐতিহাসিক ঘটনাৱলী, ইনফোটেইমেণ্ট আৰু ব্যক্তিবিশেষক লৈ যুগুত কৰা অনুষ্ঠান সম্প্রচাৰ কৰে। এপ্লাছ ই নেটৱর্ক আৰু টিভি 18 নেটৱর্কে যুটীয়াভাৱে এই ছেনেলটো আৰম্ভ কৰিছে। ইংৰাজী, হিন্দী, বাংলা, গুজৰাটী, তেলুগু আৰু উর্দুকে ধৰি মুঠ আঠটা ভাষাত এই ছেনেলটোৰ অনুষ্ঠান উপভোগ কৰিব পাৰি। ভাৰতীয় ইতিহাস, লোকগাঁথা

আৰু পৌৰাণিক কাহিনীভিত্তিক্রুক অনুষ্ঠান সম্প্রচাৰ কৰা আন এটা ভাৰতীয় ছেনেল হ'ল 'এপিক'। ২০১৪ চনৰ ১৯ নৱেম্বৰৰ পৰা এপিক টেলিভিছন নেটৱ'র্ক প্রাইভেট লিমিটেডৰ অধীনত 'এপিক' ছেনেলে ইংৰাজী আৰু হিন্দী ভাষাত অনুষ্ঠানৰ সম্প্রচাৰ আৰম্ভ কৰিছিল । অৱশ্যে ভাৰতীয় আৰু বিশ্ব ইতিহাস বিষয়ক অনুষ্ঠান সম্প্রচাৰকাৰী ছেনেলৰ সংখ্যা এতিয়াও যথেষ্ট কম। দূৰদশছ্ৰন আৰু ইয়াৰ সহযোগী আঞ্চলিক ছেনেলবোৰে কিছু পৰিমাণে ইতিহাসভিত্তিক অনুষ্ঠান সম্প্রচাৰ কৰে।

৭.৬ প্রধান চেটেলাইট টিভি ছেনেলবোৰ- ষ্টাৰটিভি, জীটিভি, চোনি টিভি, এমটিভি ইণ্ডিয়া, নেশ্যনেল জিঅ' গ্রাফিক ছেনেল

ষ্টাৰ টিভিৰ সম্পূর্ণ ৰূপটো হ'ল Satellite Television of Asian Region.এই নেটৱ'র্কটোৰ স্বত্বাধিকাৰী হ'ল '21st Century Fox' নামৰ কোম্পানীটো। ২০০৯ চনত 'নিউজ কর্প'ৰেশ্যন'এ ষ্টাৰ এচিয়াৰ ষ্টাৰ ইণ্ডিয়া সংস্কাৰণ, ষ্টাৰ গ্রেটাৰ চাইনা সংস্কৰণ আৰু ফক্স ইণ্টাৰনেশ্যনেল ছেনেল তিনিটাক স্বীকৃতি প্রদান কৰিছিল। ৰুপার্ট মাৰড'কৰ কোম্পানী 'নিউজ কর্প'ৰেশ্যন'-এ ভাৰতত জীটিভিৰ সৈতে ফেৰ মাৰিব পৰাকৈ 'ষ্টাৰ টিভি'ক সবল কৰি তোলাত এক তাৎপর্যপূর্ণ ভূমিকা গ্রহণ কৰিছিল। বিত্তীয় উৎসৰ ক্ষেত্রত মাৰড'ক আছিল অপ্রতিদ্বন্দ্বী। ষ্টাৰ টিভিয়ে আমদানিকৃত জনপ্রিয় অনুষ্ঠানবোৰা বিশেষভাৱে সম্প্রচাৰ কৰিব পাৰিছিল। কাৰণ, নিউজ কর্প'ৰেশ্যনে আমেৰিকা যুক্তৰাষ্ট্রত ফক্স নেটৱ'র্কৰ বাবে প্রস্তুত কৰা অনুষ্ঠানবোৰৰ সম্প্রচাৰ স্বত্ব ষ্টাৰ টিভিক প্রদান কৰিছিল। প্রাৰম্ভিক সময়ত ষ্টাৰ টিভিয়ে সম্প্রচাৰ কৰা আৰু ভাৰতীয় দর্শকৰ মাজত জনপ্রিয় হৈ পৰা দুখন ধাৰাবাহিক আছিল 'ৱে' ৰাটচ্ছ্' আৰু 'এক্স-ফাইলচ্'। ৰুপার্ট মাৰড'কে ষ্টাৰ টিভি ক্রয় কৰাৰ অভিপ্রায় আলোচনা কৰি লেখক শ্বিআউ হং-ছিয়ে দাবী কৰিছিল যে মাৰড'কে প্রচাৰ মাধ্যমৰ বিশ্বায়নৰ তত্ত্বটোক ভিত্তি কৰি এই সিদ্ধান্ত লৈছিল। মাৰড'কৰ প্রধান কার্য-কৌশল আছিল একেবাৰে কম প্রয়াসৰ জৰিয়তে এচিয়াৰ দর্শকৰ বাবে আমেৰিকা অনুষ্ঠানবোৰ সম্প্রচাৰ কৰা। কিন্তু সাংস্কৃতিক আৰু সামাজিক তাৰতম্যৰ বাবে সামগ্রিক ভাৱে এই পৰিকল্পনা ব্যর্থ হৈছিল। ষ্টাৰ টিভিয়ে প্রচাৰ মাধ্যম আৰু মনোৰঞ্জন প্রদানৰ ব্যৱসায়ত নিজ অস্তিত্ব বর্তাই ৰখাৰ স্বার্থত স্থানীয় অনুষ্ঠান প্রস্তুত কৰিবলগীয়া হৈছিল।

১৯৯৯ চন পায়হি মানে ষ্টাৰ গ্রুপটোৱে প্রাৰম্ভিক অৱস্থাত আৰম্ভ কৰা ছেনেলকেইটাৰ উপৰি আন কেইবাটাও ছেনেলৰ সেৱা মুকলি কৰিছিল। সেই সময়ছোৱাত সক্রিয়হৈ থকা ষ্টাৰ নেটৱ'র্কৰ ছেনেলকেইটা হ'ল- ষ্টাৰ প্লাছ, ষ্টাৰ স্পোর্টচ, ছেনেল V আৰু ষ্টাৰ মান্দাৰিন (চীনৰ দর্শকৰ বাবে)। ১৯৯৮ চনৰ ফ্রেব্রুৱাৰী মাহৰ পৰা ইংৰাজী আৰু হিন্দী ভাষাত 'ষ্টাৰ নিউজ' ছেনেলটোৱে সংবাদ সম্প্রচাৰ আৰম্ভ কৰিছিল। 'ষ্টাৰ ইণ্ডিয়া' শাখাই অনুষ্ঠান প্রযোজনাত 'এনডিটিভি'ৰ সহায় লৈ এই ছেনেলটোৰ কাম-কাজ পৰিচালনা কৰিছিল। ২০০৩ চনৰ পৰা 'ষ্টাৰ নিউজ' হৈ পৰিল ২৪ ঘণ্টাই সংবাদ সম্প্রচাৰ কৰা ছেনেল। ১৯৯৮ চনত ইংৰাজী ভাষাত প্রস্তুত কৰা মনোৰঞ্জনমূলক

অনুষ্ঠান সম্প্রচাৰ কৰিবলৈ ষ্টাৰ ৱর্ল্ড নামৰ ছেনেলটোৰ সেৱা আৰম্ভ কৰা হয়। 'কৌন বনেগা কৰোৰ পতি' (Who will Become a Multimillionaireৰ হিন্দী সংস্কাৰণ) নামৰ অনুষ্ঠানটোৱে ভাৰতত ষ্টাৰটিভিৰ জনপ্রিয়তা অভূতপূর্ব হাৰত বৃদ্ধি হোৱাত অৰিহণা আগবঢ়াইছিল। অনুষ্ঠানটোৱে ১০০ মিলিয়ন কেবল টি ভি দর্শকৰ এক বৃহৎ অংশক আকৃষ্ট কৰিবলৈ সক্ষম হৈছিল। অনুষ্ঠান সম্প্রচাৰৰ বিস্তৃত প্রকৃতি গ্রহণ কৰা ষ্টাৰ টিভিয়ে ভাৰতীয় টেলিভিছন সেৱাত এক তাৎপর্যপূর্ণ অগ্রণী স্থান দখল কৰিছিল।

১৯৯২ চনৰ পৰা জীটিভিৰ কাম-কাজ আৰম্ভ হৈছিল। ষ্টাৰ টিভি আৰু দূৰদর্শনৰ সৈতে ফেৰ মৰা ছেনেলটোৱে সোনকালে যথেষ্ট জনপ্রিয়তা অর্জন কৰিছিল।১৯৯০ চনৰ দশকৰ শেষৰ ফালে জী টিভিৰ বিজ্ঞাপন বিক্রী দূৰদর্শনৰ প্রায় সমান হৈছিল। 'জী এণ্টাৰটেইনমেণ্ট এণ্টাৰপ্রাইজেজ' হ'ল জী টিভিৰ স্বত্বাধিকাৰী আৰু পৰিচালনাকাৰী। জীটিভিয়ে হিন্দী আৰু অন্যান্য আঞ্চলিক ভাষাত অনুষ্ঠান সম্প্রচাৰ কৰে। দক্ষিণপূব এচিয়াৰ বিভিন্ন দেশ, ইউৰোপ, মধ্যপ্রাচ্য, আফ্রিকা আৰু উত্তৰ আমেৰিকাত জী টিভিৰ সেৱা উপলব্ধ। জী টিভিৰ আচল গৰাকী হ'ল সুভাষ চন্দ্রা। জীটিভিৰ কেইটামান অতি জনপ্রিয় অনুষ্ঠান হ'ল 'চাৰেগামাপা', 'চাব্বাছ ইণ্ডিয়া' আৰু ডান্স ইণ্ডিয়া ডান্স'।

উপসাগৰীয় যুদ্ধ চলি থকাৰ সময়তে জীটিভিৰ ধাৰণাটোৱে জন্মলাব কৰিছিল। বিজ্ঞাপন কার্যবাহী অশোক কুৰিয়েনৰ কার্যালয় কক্ষত বহি চিত্রনএন ছেনেলৰ সম্প্রচাৰ চাই থকাৰ সময়ত চন্দ্রাৰ মনত এই ধাৰণাটোৰ সৃষ্টি হৈছিল। তেওঁ লগে লগে কুৰিয়েনৰ আগত চি এন এনৰ দৰে এটা টেলিভিছন ছেনেলৰ কাম আৰম্ভ কৰাৰ আগ্রহ প্রকাশ কৰিছিল। কুৰিয়েনে প্রয়োজনীয় সমর্থন আগবঢ়াৰাৰ প্রতিশ্রুতি দিছিল। ১৯৯৩ চনত জীটিবি কোম্পানী ৰাজহুৱা হৈ পৰাৰ সাত বছৰৰ ভিতৰত ইয়াৰ ষ্টক মূল্য ১৫,০০ শতাংশ বৃদ্ধি পাইছিল।

১৯৯৫ চনত সম্প্রচাৰ সেৱা আৰম্ভ কৰা আনটো হিন্দী ভাষাৰ মনোৰঞ্জনমূলক অনুষ্ঠানৰ ছেনেল হ'ল 'চোনি এণ্টাৰটেইনমেণ্ট টেলিভিছন'। 'চোনি পিকচার্চ এণ্টাৰটেইনমেণ্ট' কোম্পানীৰ শাখা'চোনি পিকাচার্চ নেটৰ'র্কচ্ ইণ্ডিয়া প্রাইভেট লিমিটেড' হ'ল ইয়াৰ স্বত্বাধিকাৰী। প্রথম অৱস্থাত ষ্টাৰ টিভি আৰু জীটিভি উভয়ৰে সৈতে প্রতিদ্বন্দ্বিতাত নমা চোনি টিভিয়ে কম দিনৰ ভিতৰতে ষ্টাৰ টিভিক চেৰ পেলাইছিল। জনপ্রিয়তাৰ আধাৰত জীটিভিৰ পাছতেই স্থান পাইছিল চোনি টিভিয়ে। চোনি টিভি নেটৰ'র্কৰ দুটামান জনপ্রিয় ছেনেল হ'ল- চোনি টিভি, চোনি মেক্স, চোনি মেক্স ২, চোনি লাইভ, চোনি মিক্স, চোনি বিবিচি আর্থ ইত্যাদি। মুম্বাই আৰু দিল্লীৰ প্রায়৭৫% পৰিয়ালে জীটিভি আৰু চোনি টিভিৰ অনুষ্ঠান উপভোগ কৰে। চোনি এণ্টাৰটেইনমেণ্ট ছেনেলৰ দুটা সর্বাধিক জনপ্রিয় অনুষ্ঠান হ'ল 'চি আই ডি' আৰু'দ্য কপিল শর্মা শ্বো'। ২০১৬ চনৰ পৰা চোনি টিভিয়ে ইয়াৰ নতুন প্রতীক চিহ্নটি ব্যৱহাৰ কৰিবলৈ লয় আৰু অন্য প্রতিদ্বন্দ্বী ছেনেলতকৈ প্রতিযোগিতাৰ দৌৰত আগবাঢ়ি থাকিব পৰাকৈ ইয়াৰ ব্রেণ্ড পৰিচয় পুনৰ নির্মাণ কৰে।

১৯৯৬ চনত সম্প্রচাৰ সেৱা আৰম্ভ কৰা 'এমটিভি ইণ্ডিয়া'বর্তমান ভায়াক'ম ১৮ মিডিয়া প্রাইভেট লিমিটেডৰ অংশ। ভায়াক'ম ইংক্ আৰু নেটৰ'র্ক টিভি ১৮-এ যুটীয়াভাৰে এই ছেনেলটোৰ

কাম-কাজ আৰম্ভ কৰিছিল। ই সমগ্ৰ এছিয়া মহাদেশৰ ভিতৰতে সবাতোকৈ পুৰণি টেলিভিছন ছেনেল। সময় বাগৰাৰ লগে লগে মিউজিক এলবাম আৰু হিন্দী কথাছবিৰ গীতৰ লগতে ছেনেলটোৱে বিভিন্ন 'ৰিয়েলিটি শ্বো' সম্প্ৰচাৰ কৰিবলৈ ল'লে। যুৱা প্ৰজন্মই ছেনেলটোৰ 'ৰোডীজ', 'স্প্লিটভিলা' আৰু 'কোক ষ্টুডিঅ'ৰ দৰে ৰিয়েলিটি শ্বোবোৰৰ কথা ভালদৰে জানে। এমটিভি ইণ্ডিয়া কেৱল ভাৰততে নহয় বাংলাদেশ, নেপাল আৰু শ্ৰীলংকাতো জনপ্ৰিয়। পেপ্চী, লিভাইছ, এলে ১৮ , কোকাকোলা, ফিলিপচ্ , পাৰফেটি আদি আন্তঃৰাষ্ট্ৰীয় ব্ৰেণ্ডে এমটিবি ইণ্ডিয়াক বিজ্ঞাপন সম্প্ৰচাৰৰ এক শক্তিশালী মঞ্চৰূপে গণ্য কৰে। ছেনেলটোৱে দিল্লী আৰু মুম্বাইত 'দ্য ৰেচ এগেইনষ্ট এইড্চ' আৰু 'ৰাক ফৰ লাইভ' নামৰ জনকল্যাণমূলক অভিযানো চলাইছে। চোনি মিউজিকৰ সহযোগত এমটিভি ইণ্ডিয়াই ভাৰতত ডায়েনা কিং আৰু ৰিকি মাৰ্টিনৰ দৰে পশ্চিমীয়া পপ সংগীতৰ জনপ্ৰিয় শিল্পীবোৰক ভাৰতলৈ আমন্ত্ৰণ কৰি আনি বিভিন্ন কনচাৰ্টৰ আয়োজন কৰিছে। এমটিভি ইণ্ডিয়া হ'ল সংস্কৃতিৰ বৰ্ণসংকৰ ৰূপ প্ৰদৰ্শন কৰা ছেনেল। এই বিদেশী ব্যক্তিগত ছেনেলটো দেখাত ভাৰতীয় যেন লাগিলেও ই পাশ্চাত্যৰ সংস্কৃতিহে সম্প্ৰচাৰ কৰে।১৯৯৮ চনত সৰ্বভাৰতীয় বিজ্ঞাপন বঁটা প্ৰদান অনুষ্ঠানত এমটিভি ইণ্ডিয়া 'মোষ্ট আউট ষ্টেণ্ডিং ব্ৰেণ্ড অৱ্ দ্য ইয়াৰ' বঁটা লাভ কৰিছিল।

'21st Century Fox' আৰু 'National Geographic' হ'ল নেশ্যনেল জিঅ'গ্ৰাফিক ছেনেলৰ স্বত্বাধিকাৰী।১৯৯৮ চনত ইউৰোপ আৰু অষ্ট্ৰেলিয়াত এই ছেনেলটোৰ সম্প্ৰচাৰ সেৱা আৰম্ভ কৰা হৈছিল। তাৰ এবছৰৰ পাচত এচিয়াত ছেনেলটোৰ সেৱাৰ পাতনি মেলা হৈছিল। এচিয়াত প্ৰথম অৱস্থাত ই ষ্টাৰ টিভিৰ সৈতে যুটীয়াভাৱে কাম কৰিছিল। বৰ্তমান সমগ্ৰ বিশ্বৰে ১৪৩ খনতকৈও অধিক দেশত ছেনেলটোৰ অনুষ্ঠান উপভোগ কৰাৰ সুবিধা আছে। সমগ্ৰ পৃথিৱীৰ ১৬০ মিলিয়নতকৈ অধিক পৰিয়ালে নেশ্যনেল জিঅ' গ্ৰাফিক ছেনেলৰ অনুষ্ঠান চায়। সময় বাগৰাৰ লগে লগে মূল ছেনেলটোৰ পৰা আন বহুকেইটা উপ-ছেনেলৰ জন্ম হৈছে। এনে দুটামান ছেনেল হ'ল নেট জিঅ' মিউজিক, নেট জিঅ' জুনিয়ৰ, নেট জিঅ' পিপল্, নেট জিঅ' ৱাইল্ড আৰু নেট জিঅ' কিডচ্। ছেনেলটোৰ দুটামান জনপ্ৰিয় অনুষ্ঠান হ'ল 'বেংগজ্ আপ এব্ৰ'ড', 'কচমচঃ এ স্পেচ টাইম ওডিচি', 'ব্ৰেইন গে'মচ্', 'টাবু' আৰু 'চায়েন্স অৰ ষ্টুপিড'।

৭.৭ কেবল্ টেলিভিছন-ডিজিটেলসমধর্মিতাৰ মেৰুদণ্ড

ভাৰতৰ ১৬৭ মিলিয়নতকৈও অধিক ঘৰত টেলিভিছন চেট আছে। ইয়াৰে ১৬১ মিলিয়ন ঘৰত চেটেলাইট টেলিভিছন আছে (টেম (TAM) প্ৰতিবেদন, ২০১৫) ২০০০ চনত চেটেলাইট কেবল্ টেলিভিছন সংযোগ থকা ঘৰৰ সংখ্যা আছিল ৩৫ মিলিয়ন। চৰকাৰে গ্ৰহণ কৰা মাল্টি ফে'জ ডিজিটাইজেশ্যন নীতিৰ বাবে ডিজিটেল সম্প্ৰচাৰৰ ক্ষেত্ৰখনৰ দ্ৰুত বিকাশ ঘটিছে। কেবল্ টেলিভিছন নেটৱ'ৰ্কচ্ (নিয়ন্ত্ৰণ) সংশোধনী বিধিৰ ৯ নম্বৰ দফা অনুসৰি দেশত ডিজিটেল সম্প্ৰচাৰ ব্যৱস্থা বাধ্যতামূলক কৰাৰ প্ৰক্ৰিয়া চলি আছে। ২০১৫ চনত ভাৰত চৰকাৰে 'ডিজিটেল ভাৰত

অভিযান' আৰম্ভ কৰিছে। চৰকাৰে ডিজিটেল ভাৰত অভিযানৰ বাবে নির্ধাৰিত কৰি লোৱা ৯ টা স্তম্ভ শক্তিশালী কৰাৰ লক্ষ্য বান্ধি লৈছে। এই স্তম্ভবেইটাৰ ভিতৰত ব্ৰডবেণ্ড হাইৱে'ৰ বিকাশকোসামৰি লোৱা হৈছে। সমগ্ৰ দেশতে কেবল্ নেটৱ'র্ক ব্যৱস্থাটো শক্তিশালী কৰি তুলিব পাৰিলে ডিজিটেল সংযোগ সেৱাবোৰলৈ এক বৈপ্লৱিক পৰিৱর্তন আহিব আৰু দ্ৰুত হাৰত ই সম্প্ৰসাৰিত হ'ব। গণমাধ্যম মঞ্চ, ব্যক্তিগত কম্পিউটাৰ আৰু টেলি-সংযোগ সুবিধাবোৰৰ সমধর্মিতা ঘটাৰ বাবে ভাৰত চৰকাৰে সাধাৰণ টেলিভিছন চেটৰ মাধ্যমেৰেও ইণ্টাৰনেট, টেলিফোন,হোম শ্বপিং আৰু অন্য আন্তঃক্ৰিয়াশীল সেৱাবোৰ দর্শকলৈ আগবঢ়োৱাৰ অনুমতি প্ৰদান কৰিছে। সাধাৰণ টেলিফোন তাঁৰবোৰে উচ্চ বেণ্ডৱিথ্ৰ সংকেতপৰিবহন কৰিব নোৱাৰে। কেবল্ প্ৰযুক্তিৰ বিকাশ ঘটাৰ লগে লগে অপ্টিকেল ফাইবাৰ প্ৰযুক্তি ব্যৱহাৰ কৰি আগতকৈ যথেষ্ট অধিক পৰিমাণৰ ডেটা পৰিৱহনকাৰী টেলিফোন সেৱা ব্যৱস্থা গঢ়ি তুলিব পৰা গৈছে। দেশত প্ৰচলিত কেবল্ আন্তঃগাঁথনিটোৰ দ্বাৰা অধিকতৰ সুফল আদায় কৰিবলৈ আৰু সম্ভাব্য গ্ৰাহকলৈ ভিডিঅ' তথা অডিঅ' সংকেতৰ লগতে ডেটা প্ৰেৰণ কৰিবলৈ ডিজিটেল পাইপলাইনৰ ক্ষেত্ৰ দুখনত যথেষ্ট পৰিমাণৰ ধন বিনিয়োগ কৰা হৈছে। ভাৰতৰ এটা বৃহৎ মনোৰঞ্জন প্ৰদানকাৰী প্ৰচাৰ মাধ্যমত পৰিণত হ'বলৈ জী নেটৱ'র্কে ১৯৯৯ চনৰ পৰা ২০০৪ চনলৈ ৫০০ মিলিয়ন আমেৰিকান ডলাৰ বিনিয়োগ কৰিছে। CDAC' কোম্পানীৰ স্বত্বাধিকাৰী বিজয় ভাটকাৰে দেশৰ ইণ্টাৰনেট আৰু কেবল্ নেটৱ'র্কটো নিজ কোম্পানীৰ অধীনত সম্প্ৰসাৰিত কৰাৰ কামত ১০০ মিলিয়ন আমেৰিকান ডলাৰ বিনিয়োগ কৰিছে। বিদেশ সঞ্চাৰ নিগম লিমিটেডে সমগ্ৰ ভাৰততে এটা 'হাই টেনশ্যন' টেলিফোন তাঁৰৰ নেট'ৱ'র্ক গঢ়ি তুলিবলৈ পাৱাৰ গ্ৰীড নিগমৰ সৈতে ৩০০ মিলিয়ন আমেৰিকান ডালৰ হস্তান্তৰ কৰিবলগীয়া চুক্তি এখনত চহী কৰিছে। বাংগালুৰুৰ ইন'মিডিয়া টেকন'ল'জী নামৰ প্ৰতিষ্ঠানটোৰ গৰাকী উদ্যোগপতি মোহন তাম্বেই 'কেবল্ টিভি বেচড্ হোম এণ্ড অফিচ ইণ্টাৰ এক্টিভ চার্ভিচেছ' (CHOIS)ৰ সুবিধাৰ পাতনি মেলিছে। এই সেৱাই চেট টপ বক্সৰ জৰিয়তে বিভিন্ন আন্তঃক্ৰিয়াশীল সেৱাৰ একাধিক সুবিধা গ্ৰহণত দর্শকক সহায় কৰে। ইয়াৰ দ্বাৰা আগবঢ়োৱাআন প্ৰধান সুবিধাবোৰ হ'ল- 'পে'-পাৰ-ভিউ', 'ভিডিঅ'-অন-ৰিকুৱেষ্ট', ৰে'ল আৰু বাচৰ টিকেট বুজিং তথা 'ভইচ মেইল' ইত্যাদি। (CHOIS) সেৱাবোৰ ইনফ'টেইনমেণ্ট আর্হিৰে সমগ্ৰ ভাৰততে কেবল্ অপাৰেটৰ সকলৰ সহযোগত ব্যৱসায়িকভাৱে মুকলি কৰা হয়। ই দর্শকক ৰাজহুৱা সেৱাৰ সৈতে জড়িত তথ্য, মনোৰঞ্জন আৰু অন্যান্য সুবিধাৰ সামগ্ৰিক ছবিখন অনুধাৱন কৰাত সহায় কৰে। বর্তমান ভাৰতৰ অধিকাংশ পৰিয়ালতে একোটা ব্যক্তিগত কম্পিউটাৰ আছে। এনে কম্পিউটাৰবোৰে ভাৰতৰ এক বৃহৎ সংখ্যক দর্শকৰ বাবে কেবল্ , টেলি-সংযোগ আৰু ইণ্টাৰনেট সেৱাবোৰৰ ডিজিটেল সমধর্মিতা ঘটাৰ পথ প্ৰশস্ত কৰি তুলিছে. ডিজিটেল ইণ্টাৰনেট সংযোগৰ সুবিধা বঢ়াৰ লগে লগে ভাৰতৰ লাখ লাখ পৰিয়ালে ঘৰুৱা টেলিভিছন চেট এটাৰ জৰিয়তে কেবল্ টিভি প্ৰযুক্তিৰ লাভ গ্ৰহণ কৰিব পৰা হৈছে। এই পৰিবর্তনৰ হাৰ অতি দ্ৰুত হ'ব পাৰে।

৭.৮ দূৰদৰ্শনৰ সেৱাত ব্যক্তিগত চেটেলাইট ছেনেলে পেলোৱা প্ৰভাৱ

১৯৯০ ৰ দশকৰ পৰা ভাৰতীয় বজাৰত ব্যক্তিগত টেলিভিছন সেৱা আৰম্ভ হৈছিল. ষ্টাৰ, জী আৰু চোনিৰ দৰে ব্যক্তিগত টেলিভিছন ছেনেলবোৰে দূৰদৰ্শনৰ জনপ্ৰিয়তালৈ যথেষ্ট প্ৰত্যাহ্বান কঢ়িয়াই আনিছিল। কিন্তু ব্যক্তিগত সম্প্ৰচাৰকৰ তুলনাত দেশৰ নগৰ আৰু গাওঁ উভয় অঞ্চলতে দূৰদৰ্শনৰ গ্ৰাহকৰ সংখ্যা এতিয়াও বেছি। কালক্ৰমতব্যক্তিগত সম্প্ৰচাৰক সকলে উদ্ভাৱনীমূলক আৰু ব্যৱসায়িক অনুষ্ঠান প্ৰস্তুত কৰি নগৰ-চহৰ অঞ্চলৰ দৰ্শকৰ আকৰ্ষণ কৰাৰ চেষ্টা চলাইছিল। দূৰদৰ্শন কেৱল গ্ৰামাঞ্চলৰ দৰ্শকে উপভোগ কৰা ছেনেল হৈ পৰিল। ব্যক্তিগত সম্প্ৰচাৰকৰ পৰা পোৱা এনেবোৰ ভাবুকিৰ বাবে দূৰদৰ্শনে ইয়াৰ অনুষ্ঠান প্ৰস্তুতকৰণৰ আৰ্হিটোৰ তাৎপৰ্যপূৰ্ণ পৰিৱৰ্তন সাধন কৰিলে। ১৯৯০ ৰ দশকতে নগৰ- চহৰ অঞ্চলৰ দৰ্শকক লক্ষ্য কৰি দূৰদৰ্শনে DD-2 (Metro)' নামৰ টো পৃথক ছেনেলৰ সেৱা আৰম্ভ কৰিছিল। সময় বাগৰাৰ লগে লগে দূৰদৰ্শনে ১৫ টা আঞ্চলিক ভাষাৰ ছেনেল, এটা ক্ৰীড় সম্প্ৰচাৰকাৰী ছেনেল,এটা চ্ছ্ৰ ঘণ্টীয়া সংবাদ ছেনেল আৰু এটা আন্তঃৰাষ্ট্ৰীয় ছেনেলৰ দ্বাৰা অনুষ্ঠান সম্প্ৰচাৰ কৰিবলৈ লৈছিল। ইয়াৰ উপৰি দূৰদৰ্শনে DD-1 ছেনেলটোত এটা আঢ়ৈ ঘণ্টীয়া সংগীতৰ অনুষ্ঠান আৰু কাৰ্টুন অনুষ্ঠানবোৰৰ সম্প্ৰচাৰ আৰম্ভ কৰিছিল। কাৰিকৰী সাহায্য আৰু যন্ত্ৰ-পাতি ক্ৰয়সংক্ৰান্তীয় বিনিময় কাৰ্যসূচীবোৰৰ বাবে দূৰদৰ্শনে চি এন এন (CNN) ৰ সৈতে চুক্তিৱদ্ধ হৈছিল। ব্যক্তিগত সম্প্ৰচাৰকৰ পৰা পোৱা তীব্ৰ হেঁচাৰ বাবে এটা ৰাজহুৱা সম্প্ৰচাৰক হিচাপে দূৰদৰ্শনে পালন কৰি থকা ভূমিকা সলনি কৰিবলগীয়া হৈছিল। শিক্ষা আৰু উন্নয়নৰ দিশ দুটাত প্ৰধানকৈ মনোনিৱেশ কৰা দূৰদৰ্শন হৈ পৰিছিল মুখ্যতঃ এক ব্যৱসায়িক সম্প্ৰচাৰক। ১৯৯০ ৰ দশকৰ পৰা দূৰদৰ্শনে সামাজিক পৰিৱৰ্তনৰ এক অনুঘটক, ৰাষ্ট্ৰীয় সংহতিৰ পৃষ্ঠপোষক, জননীৰ স্বাস্থ্য আৰু শিশুৰ স্বাস্থ্য উন্নতকাৰী সমৰ্থন মাধ্যম আৰু দেশৰ সাক্ষৰতাৰ মান উন্নত কৰাৰ সহায়ক মাধ্যমৰূপে পালন কৰি অহা ভূমিকাবোৰত জোৰ দিয়াৰ মাত্ৰা হ্ৰাস কৰিছিল। ইয়াৰ সলনি ছেনেলটোৱে বিজ্ঞাপন সম্প্ৰচাৰৰ জৰিয়তে ধন আহৰণত অধিক গুৰুত্ব দিবলৈ লৈছিল। ব্যক্তিগত সম্প্ৰচাৰকে সৃষ্টি কৰা প্ৰতিযোগিতাবোৰত অংশগ্ৰহণ কৰিব পৰাকৈ দূৰদৰ্শনে ইয়াৰ বিভিন্ন পৰিকল্পনা আৰ অনুষ্ঠানক নতুন ৰূপ দিছিল। আন্তঃৰাষ্ট্ৰীয় দৰ্শকৰ কায চাপিবলৈ আৰু অন্য ব্যক্তিগত সম্প্ৰচাৰ নেটৱৰ্কবোৰৰ সৈতে বিশ্বজনীনভাৱে ফেৰ মাৰিবলৈ দূৰদৰ্শনে 'ডিডি-ইণ্ডিয়া' নামৰ এটাআন্তঃৰাষ্ট্ৰীয় ছেনেলৰকাম-কাজ আৰম্ভ কৰিছিল। এই ছেনেলটোৰ দ্বাৰা বিদেশত বাস কৰা ভাৰতীয় দৰ্শকৰ বাবে সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক বিষয়ৰ অনুষ্ঠান সম্প্ৰচাৰ কৰা হয়। দূৰদৰ্শনৰ দৰ্শকৰ সংখ্যা পুনৰীক্ষণ কৰিবলৈ আৰু ব্যক্তিগত সম্প্ৰচাৰকৰ সৈতে প্ৰতিযোগিতাত নামিবলৈ প্ৰসাৰ ভাৰতীয়ে দূৰদৰ্শনৰ প্ৰযুক্তি ক্ষেত্ৰখনৰ তাৎপৰ্যপূৰ্ণ পৰিৱৰ্তন সাধন কৰিছে। ডিডি-নিউজ ছেনেলৰ সম্প্ৰচাৰ প্ৰযুক্তিতহোৱা পৰিৱৰ্তনে ইয়াক অন্য ব্যক্তিগত সংবাদ ছেনেলৰসৈতে প্ৰতিদ্বন্দ্বিতা কৰাত সহায় কৰিছে। দূৰদৰ্শনে ইয়াৰৰ 'প্ৰাইমটাইম' সন্ধিয়াৰ সময়বোৰ পুনৰ নতুনকৈ সজাই লৈছে। এই সময়ছোৱাত সম্প্ৰচাৰিত নতুন মনোৰঞ্জনমূলক অনুষ্ঠানবোৰে অন্য ব্যক্তিগত মনোৰঞ্জনমূলক

ছেনেলবোৰৰ সৈতে ফেৰ মাৰিব পৰা হৈছে।

অগ্ৰগতি নিৰীক্ষণ

১। ভাৰতত ব্যক্তিগত টেলিভিছন ছেনেলৰ বিকাশ সম্পৰ্কে এটা চমুটোকা লিখক।

২। ব্যক্তিগত ছেনেলবোৰৰ বিকাশে দূৰদৰ্শনৰ কাম-কাজতকেনেধৰণৰ প্ৰভাৱ পেলাইছে?

৩। ভাৰততটিভি ছেনেলবোৰক কি কি শিতানত ভগাব পৰা যায়?

৪। ভাৰতত সেৱা আগবঢ়াইথকা দুটামান প্ৰধান ব্যক্তিগত সংবাদ ছেনেলৰ নাম লিখক।



৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

আমি তলতদিয়া ধৰণে অধ্যায়টিত আলোচিত বিষয়বোৰৰ সাৰাংশআগবঢ়াব পাৰোঁ—

- ১৯৯০ চনত উপসাগৰীয় যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে ভাৰতত ব্যক্তিগত টেলিভিছন সেৱাৰ বিকাশৰ যুগ আৰম্ভ হৈছিল।
- ষ্টাৰ টিভি (Satellite Television of Asia Region) আৰু জী টিভি (Zee TV) ৰ সেৱা আৰম্ভ হোৱাৰ লগেলগে ভাৰতত কেবল্‌টিভিনেটৱৰ্কে বৃহৎ সংখ্যক দৰ্শকক সামৰি লোৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিলে।
- চেটেলাইট কেবল্‌ টেলিভিছনৰ বিকাশৰ লগে লগে বোম্বেত বিভিন্ন প্ৰযোজনা কোম্পানীৰ জন্ম হ'ল। এনে কোম্পানীবোৰৰ ভিতৰত দুটামান উল্লেখযোগ্য নাম হ'ল— বালাজী টেলিফিল্মচ্‌, এণ্ডেম'ল ইণ্ডিয়া, ৰিজক্ৰাফ্‌ট টেলিভিছন, দীপ্তিভাটনাগৰপ্ৰোডাকশ্যনচ্‌, প্লে'টাইম ক্ৰিয়েশ্যনচ্‌, স্ফিয়াৰ অৰিজিনচ্‌ ইত্যাদি।
- ১৯৯০ ৰ দশকতে নগৰ- চহৰ অঞ্চলৰ দৰ্শকক লক্ষ্য কৰি দূৰদৰ্শনে DD-2 (Metro)' নামৰ টো পৃথক ছেনেলৰ সেৱা আৰম্ভ কৰিছিল। সময় বাগৰাৰ লগে লগে দূৰদৰ্শনে ১৫ টা আঞ্চলিক ভাষাৰ ছেনেল, এটা ক্ৰীড় সম্প্ৰচাৰকাৰী ছেনেল,এটা চ্ছ্ৰ ঘণ্টীয়া সংবাদ ছেনেল আৰু এটা আন্তঃৰাষ্ট্ৰীয় ছেনেলৰ দ্বাৰা অনুষ্ঠান সম্প্ৰচাৰ কৰিবলৈ লৈছিল। ইয়াৰ উপৰি দূৰদৰ্শনে DD-1 ছেনেলটোত এটা আঢ়ৈ ঘণ্টীয়া সংগীতৰ অনুষ্ঠান আৰু কাৰ্টুন অনুষ্ঠানবোৰৰ সম্প্ৰচাৰ আৰম্ভ কৰিছিল। কাৰিকৰী সাহায্য আৰু যন্ত্ৰ-পাতি ক্ৰয়সংক্ৰান্তীয় বিনিময় কাৰ্যসূচীবোৰৰ বাবে দূৰদৰ্শনে চি এন এন (CNN) ৰ সৈতে চুক্তিৰদ্ধ হৈছিল।



৭.১০ অধিক জানিবলৈ

1. Singhal, A. and Rogers, E. (2000). *India's Communication Revolution: From Bullock Carts to Cyber Marts*, 1st. edition: Sage India.

2. Khandekar, Vanita (2017). *The India Media Business,* 4th edition: Sage India.

3. Kumar, Keval(1998). *Mass Communication in India*, 4th edition. Jiaco Publishing House.

4. Hasan, Seema (2013). *Mass Communication: Principles and Concepts*, 2nd edition. CBS Publishers.



৭.১১ অগ্ৰগতিৰ খতিয়ান

১। নং প্ৰশ্নৰ উত্তৰঃদেশত সত্তৰৰ দশকৰ শেষৰফালে ব্যক্তিগত টেলিভিছন সেৱাৰ সম্প্ৰচাৰ আৰম্ভ হৈছিল। কিন্তু কেবল টেলিভিছন আৰু ব্যক্তিগত টেলিভিছন সেৱাৰ নেটৱৰ্কৰ বিকাশ নঘটালৈকে ভাৰতীয় টেলিভিছন দৰ্শকৰ হাতত বহু বেছি বিকল্প নাছিল। দৰ্শকে কেৱল দূৰদৰ্শনৰ দ্বাৰা সম্প্ৰচাৰিত অনুষ্ঠানবোৰহে চোৱাৰ সুযোগ পাইছিল। এই সময়ছোৱাত ভিডিঅ' কেছেট ৰেক'ডাৰ আৰু প্লেয়াৰ যন্ত্ৰবোৰৰ চাহিদা আছিল সৰ্বাধিক। ১৯৯০ চনত উপসাগৰীয় যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে ভাৰতত ব্যক্তিগত টেলিভিছন সেৱাৰ বিকাশৰ যুগ আৰম্ভ হৈছিল। জী টিভি হ'ল ভাৰতৰ প্ৰথমটো ব্যক্তিগত মালিকানাধীন টেলিভিছন সেৱা সম্প্ৰচাৰকাৰী নেটৱৰ্ক। কেইবছৰমানৰ ভিতৰতে চি এন এন, ডিস্ক'ভাৰী ছেনেল আৰু নেশ্যনেল জিঅ' গ্ৰাফিক ছেনেলৰ দৰে আন্তঃৰাষ্ট্ৰীয় ছেনেলবোৰে ভাৰতত অনুষ্ঠান সম্প্ৰচাৰ আৰম্ভ কৰিছিল। ষ্টাৰ টিভি নেটৱৰ্কে পৰ্যায়ক্ৰমে ষ্টাৰ ৱৰ্ল্ড, ষ্টাৰ স্পোৰ্টচ, ইএছ পি এন আৰু ষ্টাৰ গোল্ড ছেনেলৰ জৰিয়তে অনুষ্ঠান সম্প্ৰচাৰ কৰিবলৈ লৈছিল। যথেষ্ট সংখ্যক হিন্দী আৰু কেইটামান ইংৰাজী ভাষাৰ ছেনেলৰ সৈতে আঞ্চলিক ভাষাৰ ছেনেলৰ সংখ্যাও বাঢ়িবলৈ ধৰিছিল। ২০০১ চনত ভাৰতত আত্মপ্ৰকাশ কৰা আন দুটা আন্তঃৰাষ্ট্ৰীয় ছেনেল হ'ল এইছবিঅ' আৰু হিষ্ট্ৰী ছেনেল।

২। নং প্ৰশ্নৰ উত্তৰঃ ষ্টাৰ, জী আৰু চোনিৰ দৰে ব্যক্তিগত টেলিভিছন ছেনেলবোৰে দূৰদৰ্শনৰ জনপ্ৰিয়তালৈ যথেষ্ট প্ৰত্যাহ্বান কঢ়িয়াই আনিছিল। কিন্তু ব্যক্তিগত সম্প্ৰচাৰকৰ তুলনাত দেশৰ নগৰ আৰু গাওঁ উভয় অঞ্চলতে দূৰদৰ্শনৰ গ্ৰাহকৰ সংখ্যা এতিয়াও বেছি। কালক্ৰমতব্যক্তিগত সম্প্ৰচাৰক সকলে উদ্ভাৱনীমূলক আৰু ব্যৱসায়িক অনুষ্ঠান প্ৰস্তুত কৰি নগৰ-চহৰ অঞ্চলৰ দৰ্শকৰ আকৰ্ষণ কৰাৰ চেষ্টা চলাইছিল। দূৰদৰ্শন কেৱল গ্ৰামাঞ্চলৰ দৰ্শকে উপভোগ কৰা ছেনেল হৈ পৰিল। ব্যক্তিগত সম্প্ৰচাৰকৰ পৰা পোৱা এনেবোৰ ভাবুকিৰ বাবে দূৰদৰ্শনে ইয়াৰ অনুষ্ঠান প্ৰস্তুতকৰণৰ আৰ্হিটোৰ তাৎপৰ্যপূৰ্ণ

পৰিৱর্তন সাধন কৰিলে। ১৯৯০ ৰ দশকতে নগৰ- চহৰ অঞ্চলৰ দর্শকক লক্ষ্য কৰি দূৰদর্শনে DD-2 (Metro)' নামৰ টো পৃথক ছেনেলৰ সেৱা আৰম্ভ কৰিছিল। সময় বাগৰাৰ লগে লগে দূৰদর্শনে ১৫ টা আঞ্চলিক ভাষাৰ ছেনেল, এটা ক্রীড় সম্প্রচাৰকাৰী ছেনেল,এটা চ্ছ্র ঘণ্টীয়া সংবাদ ছেনেল আৰু এটা আন্তঃৰাষ্ট্রীয় ছেনেলৰ দ্বাৰা অনুষ্ঠান সম্প্রচাৰ কৰিবলৈ লৈছিল। ইয়াৰ উপৰি দূৰদর্শনে DD-1 ছেনেলটোত এটা আঢ়ৈ ঘণ্টীয়া সংগীতৰ অনুষ্ঠান আৰু কার্টুন অনুষ্ঠানবোৰৰ সম্প্রচাৰ আৰম্ভ কৰিছিল। কাৰিকৰী সাহায্য আৰু যন্ত্র-পাতি ক্রয়সংক্রান্তীয় বিনিময় কার্যসূচীবোৰৰ বাবে দূৰদর্শনে চি এন এন (CNN) ৰ সৈতে চুক্তিৱদ্ধ হৈছিল।

৩। নং প্রশ্নৰ উত্তৰঃ ভাৰতৰ টিভি ছেনেলবোৰক তলৰ জনপ্রিয় শিতানবোৰত ভগাব পাৰি- মনোৰঞ্জনমূলক, সংবাদ,ক্রীড়া, শৈক্ষিক, জীৱন শৈলীভিত্তিক, কথাছবি আৰু ইনফ'টেইনমেণ্ট। প্রযুক্তিগত বিকাশ আৰু চেটেলাইট বিপ্লৱে ভাৰতত টেলিভিছন ছেনেলৰ বিকাশ ত্বৰান্বিত কৰিছে।

৪। নং প্রশ্নৰ উত্তৰঃ ভাৰতীয় টেলিভিছন উদ্যোগৰ বাবে ৰাজহ সংগ্রহৰ এটা প্রধান উৎস হ'ল সংবাদ আৰু ইনফোটেইনমেণ্ট। দূৰদর্শনৰ উপৰি এই শিতানটোত আৰু বহুতো ব্যক্তিগত সম্প্রচাৰকেও সক্রিয় সেৱা আগবঢ়াই আছে। এই শিতানটোৰ সৈতে জড়িত কেইটামান প্রধান সম্প্রচাৰগোষ্ঠী হ'ল— ইণ্ডিয়া টুডে'গ্রুপ,টাইমচ্ গ্রুপ, এনডিটিভি, এবিপি গ্রুপ আৰু নিউজ ১৮। ২০০০ চনৰ পৰা ভাৰতীয় টেলিভিছন উদ্যোগটোতসৃষ্টিহোৱানতুন ধাৰাটো হ'ল .... আৰ্হিৰ সংবাদ ছেনেলবোৰৰ দ্রুতবৃদ্ধি। বিভিন্ন ব্যক্তিগত সংবাদ সম্প্রচাৰকৰ সৈতে ফেৰ মাৰিবলৈ দূৰদর্শনেও 'ডিডি-নিউজ' ছেনেলটোৰ সেৱা আৰম্ভ কৰিছে।



৭.১২ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্নঃ

১। জীটিভিৰ স্বত্বাধিকাৰী কোন?

২। ষ্টাৰ টিভিৰ সম্পূর্ণ নামটো কি?

৩। আন্তঃৰাষ্ট্রীয় দর্শকৰবাবে থকা দূৰদর্শন ছেনেলটোৰ নামকি?

৪। CHOIS সেৱাই কি কার্য সম্পাদন কৰে?

(খ) চুটি প্রশ্নঃ (প্রায় ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

১। ভাৰতত ব্যক্তিগত টেলিভিছন ছেনেলবোৰৰ বিকাশে দূৰদশচ্ছ্রনকেনেদৰেপ্রভাৱিত কৰিছিল তাৰ এটা টোকা প্রস্তুত কৰক।

২। ভাৰতত শিক্ষামূলকছেনেলবোৰৰ ভূমিকা ব্যাখ্যা কৰক।

৩। তলৰ টিভি ছেনেলবোৰৰ বিষয়ে চমুটোকা লিখক—

(ক)ষ্টাৰ টিভি

(খ)জী টিভি

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত)

১। ভাৰতত ব্যক্তিগত টেলিভিছন ছেনেলবোৰৰ বিকাশ বৰ্ণনাকৰিএটা বিস্তৃতটোকা প্ৰস্তুত কৰক।

২। ভাৰতত ডিজিটেল সমধৰ্মিতাৰ বিকাশৰ ধাৰাটো ব্যাখ্যা কৰক। ইয়াৰ অগ্ৰগতিত কেবল্ টেলিভিছন প্ৰযুক্তিয়ে কেনেদৰে সহায় কৰিছে?

****